No. of Printed Pages—2

79 (SS)

[19-HBPGKOW–M3S(O) 20M]

MA 3rd Semester (Old) Exam., 2019 (W)

ASSAMESE

[MAS (S3) 09]

(সাহিত্য সমালোচনা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ধ্বনিবাদৰ মূল প্ৰৱক্তাগবাকী কোন ? তেওঁ লিখা গ্ৰন্থখনৰ নাম লিখক।

(b) 'ধ্বনি' শব্দটোৰ ব্যুৎপত্তি কি কি ধৰণে কৰিব পাৰি ?

(c) 'ধ্বন্যালোক' গ্ৰন্থত কি তিনিবিধ ধ্বনিক স্বীকাৰ কৰা হৈছে আৰু শেষত কোনবিধ ধ্বনিৰ প্ৰাধান্য স্বীকাৰ কৰি লৈছে ?

(d) 'সঞ্ঘাৰীভাৰ' মানে কি ?

(e) 'বক্ৰোক্তিবাদ' মানে কি বুজে ?

(f) বক্ৰোক্তিৰ স্বৰূপ ব্যাখ্যা কৰক।

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) পাশ্চাত্য আলোচকৰ দৃষ্টিত কবিতা—এই বিষয়ে চমুকৈ লিখক।

(b) প্ৰাচ্য তাত্ত্বিকসকলৰ দৃষ্টিত নাটকৰ সংজ্ঞা দাঙি ধৰক।

(c) উপন্যাসৰ কাহিনী বুলিলে কি বুজে? চমুকৈ লিখক।

(d) চুটি গল্পৰ শ্ৰেণীবিভাগ কেনেদৰে কৰা হয়?

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ৰসৰ প্ৰকাৰভেদ বুলিলে কি বুজে? আলোচনা কৰক।

(b) ধ্বনিৰ বিপক্ষে থকা মতবাদসমূহ চমুকৈ আলোচনা কৰক।

(c) ধ্বনিৰ প্ৰকাৰভেদ সম্পৰ্কে বহলাই আলোচনা কৰক।

(d) বক্ৰোক্তিৰ প্ৰকাৰভেদ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) বস্তুনিষ্ঠ কবিতা বুলিলে কি বুজে? বস্তুনিষ্ঠ কবিতাক কেইটা ভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে বহলাই ব্যাখ্যা কৰক।

(b) সাহিত্যিক দৃষ্টিভঙ্গীৰে বিচাৰ কৰিলে দেখা পোৱা নাটকৰ প্ৰধান উপাদানসমূহ কি কি? আলোচনা কৰক।

(c) উপন্যাসত চৰিত্ৰৰ ভূমিকা কি? সচৰাচৰ উপন্যাসত দেখিবলৈ পোৱা চৰিত্ৰসমূহৰ শ্ৰেণী বিভাজন কৰক।

(d) সাহিত্যৰ আন আন বিভাগবোৰৰ লগত চুটি গল্পৰ সাদৃশ্য আৰু বৈসাদৃশ্য সম্পৰ্কে চমুকৈ লিখক।

(e) সমালোচনা আৰু সৃষ্টিশীল বচনাৰ মাজত কিবা সম্পৰ্ক আছেনে? আলোচনা কৰক।

★★★